# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 02-10-2025

**Time :** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

০০০০০

১। জাতিৰ পিতা মহাত্মা গান্ধী আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জয়ন্তী উপলক্ষে আজি ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু লোকসভাৰ অধ্যক্ষ তথা কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ছাৰ ক্ৰিক এলেকাত পাকিস্তানে সংঘটিত কৰিব পৰা যিকোনো ধৰণৰ দুঃসাহসিক কাৰ্যৰ বিৰুদ্ধে দেশখনক সকিয়াই দিছে।

৩। নতুন দিল্লীৰ খাদী গ্ৰামোদ্যোগ ভৱনত জি এছ টি সঞ্চয় উৎসৱৰ অধীনত খাদী আৰু গ্ৰামোদ্যোগত উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰত বিশেষ ৰেহাই মূল্যত সামগ্ৰী বিক্ৰী মেলা অনুষ্ঠিত হৈছে।

৪। অধ্যাপক বনৱাৰীলাল গৌড়, বৈদ নীলকন্ধন মছ আৰু বৈদ ভৱন প্ৰশ্বেৰলৈ ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় ধনৱন্তৰী আয়ুৰ্বেদ বঁটা আগবঢ়োৱা হৈছে।

*আৰু*

৫। আহমেদাবাদত অনুষ্ঠিত ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে আজি ২ উইকেটৰ বিনিময়ত ১২১ ৰাণ সংগ্ৰহ কৰে।

০০০০০

জাতিৰ পিতা মহাত্মা গান্ধী আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জয়ন্তী উপলক্ষে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংবিধান সদনত থকা নেতা দুগৰাকীৰ প্ৰতিচ্ছৱিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, পীয়ুষ গোৱেল, কেইবাগৰাকীও সাংসদ আৰু অন্যান্য বিষয়ায়ো দুয়োগৰাকী নেতাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে।

ইফালে, দেশৰ ভিন ভিন স্থানৰ লগতে বিদেশত থকা ভাৰতীয় দূতাৱাসসমূহতো আজি বিভিন্ন কাৰ্যসূচীৰে গান্ধী জয়ন্তী উদযাপন কৰা হয়। মহাত্মা গান্ধীৰ ১৫৬ সংখ্যক জয়ন্তীৰ সৈতে সংগতি ৰাখি বাপুজীৰ সমাধি ৰাজঘাটত আজি এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আজি পুৱা ৰাজঘাটত উপস্থিত হৈ গান্ধীজীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে মহাত্মা গান্ধীৰ ১৫৬ সংখ্যক জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত, মহাত্মা গান্ধীয়ে সত্য, অহিংসা আৰু সংহতিৰ বাণীৰে দেশৰাসীক ঐক্যবদ্ধ কৰিছিল বুলি উল্লেখ কৰি কয়, যে ইয়াৰ জৰিয়তে প্ৰতিজন লোকেই শান্তি, ভাতৃত্ব আৰু সত্যৰ পথেৰে আগবাঢ়ি যাবলৈ অণুপ্ৰেৰণা লাভ কৰিব।

১৯৬৪ৰ পৰা ১৯৬৬ চনলৈ দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীক আজি কৃতজ্ঞ ৰাষ্ট্ৰই শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। উল্লেখযোগ্য যে, কৃষি আৰু কৃষকসকলৰ উন্নয়নৰ হকে প্ৰচেষ্টা লোৱা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশত সেউজ বিপ্লৱ আৰু দুগ্ধ বিপ্লৱৰ সূচনা কৰাতো অগ্ৰণী ভূমিকা লৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাই কয়, যে জয় জোৱান, জয় কিষাণ ধ্বনিৰে তেওঁ জনগণৰ মনত দেশাত্মবোধৰ চেতনা জগাই তুলিছিল। তেওঁৰ অনবদ্য ব্যক্তিত্ব, আদৰ্শ আৰু দৃঢ়তাই প্ৰত্যাহ্বান পূৰ্ণ সময়ত দেশক নেতৃত্ব দিছিল বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। এখন শক্তিশালী আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশবাসীক অনুপ্ৰাণিত কৰি থাকিব বুলি তেওঁ মত প্ৰকাশ কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰত-পাকিস্তান সীমান্তৰ ছাৰ ক্ৰিক এলেকাত পাকিস্তানে সংঘটিত কৰিব পৰা যিকোনো ধৰণৰ দুঃসাহসিক কাৰ্যৰ বিৰুদ্ধে দেশখনক সকিয়াই দিছে। ভাৰতে এনে কাৰ্যৰ উপযুক্ত প্ৰত্যুত্তৰ দিব বুলি সকিয়নী দি তেওঁ লগতে কয়, যে ইয়াৰ ফলত ইতিহাস আৰু ভূগোল দুয়োটাই সলনি হৈ যাব পাৰে। তেওঁ কয়, যে ভাৰতীয় সেনা বাহিনীয়ে অপাৰেচন সিন্দূৰৰ জৰিয়তে পাকিস্তানী বায়ু প্ৰতিৰক্ষা বিভাগক সম্পূৰ্ণৰূপে উদঙাই দিয়াৰ লগতে যেতিয়াই ভাৰতে বিচাৰে, তেতিয়াই পাকিস্তানৰ প্ৰতিৰক্ষাৰ দিশটোৰ বৃহৎ ক্ষতি কৰিব পাৰে বুলি বিশ্ববাসীলৈ এক বাৰ্তাও প্ৰেৰণ কৰিছে। বিজয়া দশমীৰ সৈতে সংগতি ৰাখি কটচ্চৰ লক্কি নালা মিলিটাৰী গেৰিচনত আয়োজন কৰা শস্ত্ৰ পূজন উৎসৱত অংশগ্ৰহণ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আজি এই কথা প্ৰকাশ কৰে।

ooooo

নতুন দিল্লীৰ খাদী গ্ৰামোদ্যোগ ভৱনত জি এছ টি সঞ্চয় উৎসৱৰ অধীনত খাদী আৰু গ্ৰামোদ্যোগত উৎপাদিত সামগ্ৰীৰ ক্ষেত্ৰত বিশেষ ৰেহাই মূল্যত আজি এখন সামগ্ৰী বিক্ৰী মেলা অনুষ্ঠিত হয়। মহাত্মা গান্ধীৰ জয়ন্তী উপলক্ষে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি এই বিক্ৰী মেলা মুকলি কৰে। গ্ৰাহকক খাদী সামগ্ৰীৰ ক্ষেত্ৰত ২০ শতাংশ আৰু খাদী গ্ৰামোদ্যোগ সামগ্ৰীৰ ক্ষেত্ৰত ১০ শতাংশ ৰেহাই দিয়া হ'ব। আজি আৰম্ভ হোৱা আৰু অহা ৫ নবেম্বৰত সামৰণি পৰিবলগীয়া খাদী মহোৎসৱ-২০২৫লৈ এই ৰেহাই ব্যৱস্থা থাকিব। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰীশ্বাহে দেশবাসীক খাদী আৰু স্বদেশী সামগ্ৰীৰ ব্যৱহাৰৰ বাবে আহ্বান জনায়।

ooooo

অধ্যাপক বানৱাৰী লাল গৌৰ, বৈদ্য নীলকন্ধন মছ আৰু বৈদ্য ভৱন প্ৰশ্বেৰলৈ ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় ধনৱন্তৰী আয়ুৰ্বেদ বঁটা আগবঢ়োৱা হৈছে। কেন্দ্ৰীয় আয়ুষ মন্ত্ৰালয়ে শৈক্ষিক, পৰম্পৰাগত শিক্ষা আৰু বৈজ্ঞানিক গৱেষণাৰ ক্ষেত্ৰত বিগত সময়ছোৱাত আয়ুৰ্বেদিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁলোকলৈ এই সন্মান আগবঢ়াইছে। এটা বিবৃতিত আয়ুষ মন্ত্ৰালয়ে কয় যে এই বঁটাসমূহ আয়ুৰ্বেদৰ প্ৰচাৰ, সংৰক্ষণ, আৰু প্ৰসাৰৰ ক্ষেত্ৰলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা ব্যক্তিসকলক প্ৰদান কৰা হয়।

ooooo

সেৱা আৰু সুশাসনৰ মন্ত্ৰৰে দীক্ষিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক উন্নতিৰ পথলৈ লৈ যোৱাৰ বাবে অহৰহ কাম কৰি আহিছে। সেৱা পৰ্বৰ এই বিশেষ শৃংখলাত আজি অপাৰেচন সিন্দূৰৰ জৰিয়তে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে ৰাষ্ট্ৰীয় সুৰক্ষা, সেনা বাহিনীৰ শক্তি তথা থলুৱা প্ৰযুক্তিৰ বিকাশত গ্ৰহণ কৰা ভূমিকা সন্দৰ্ভত আলোকপাত কৰা হৈছে।

আজি ভাৰতক বিশ্বই কেৱল শান্তিকামী দেশ হিচাপেই নহয়, বৰং বিশ্বশক্তিৰ ক্ষেত্ৰত অতি শক্তিশালী আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত আত্ম-নিৰ্ভৰশীল দেশ হিচাপে গণ্য কৰিছে। লোকসভাত অপাৰেচন সিন্দূৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা প্ৰকাশ কৰিছিল। তেওঁ লগতে বিশ্বৰ মঞ্চত ভাৰতৰ পৰিৱৰ্তিত পৰিচয়ৰ কথাও উল্লেখ কৰিছিল। যোৱা ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰত ভাৰতে অপাৰেচন সিন্দূৰ অভিযান চলাই অতি কম সময়তে পাকিস্তান আৰু পাক -অধিকৃত কাশ্মীৰত আশ্ৰয় লৈ থকা সন্ত্ৰাসবাদীক উৎখাট কৰিছিল। থলুৱা প্ৰযুক্তি আৰু সামৰিক বাহিনীৰ শক্তিৰে ভাৰতে এই সন্ত্ৰাসবাদী শক্তিৰ বিৰুদ্ধে সফলতাৰে যুঁজ দিছিল।

০০০০০

পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত বিগত তিনি দিন ধৰি হৈ থকা হিংসাত্মক প্ৰতিবাদ আৰু সংঘৰ্ষত তিনিজন আৰক্ষী জোৱানকে ধৰি কমেও ২১জন লোকৰ মৃত্যু হৈছে। স্থানীয় কৰ্তৃপক্ষই জনোৱা মতে, এই সংঘৰ্ষৰ ফলত ১৭২ জন আৰক্ষী জোৱান আৰু ৫০ জন সাধাৰণ নাগৰিক আহত হৈছে।

উল্লেখযোগ্য যে পাক অধিকৃত কাশ্মিৰৰ যুটীয়া আৱামী একচন কমিটীৰ নেতা শৌকত নৱাজ মিৰে অঞ্চলটোৰ প্ৰনাসনীয় সংস্কাৰ আৰু ৰাজহুৱা সা-সুবিধা প্ৰদানৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰিছিল। পৰৱৰ্তী সময়ত তেওঁলোকে এই দাবী সন্দৰ্ভত চৰকাৰৰ সৈতে আলোচনাতো মিলিত হৈছিল। পাকিস্তানৰ সংবাদমাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি চৰকাৰে সংগঠনটোৱে উত্থাপন কৰা কেইবাটাও দাবী মানি লৈছে। কিন্তু দুয়োপক্ষৰ মাজত হোৱা আলোচনা পৰৱৰ্তী সময়ত বিফল হয় আৰু সংগঠনটো পুনৰ প্ৰতিবাদত নামে। ইয়াৰ পিছতে প্ৰতিবাদকাৰী, স্থানীয় জনতা আৰু আৰক্ষীৰ মাজত হঠাৎ সংঘৰ্ষৰ সৃষ্টি হয়। এই সংঘৰ্ষই ক্ৰমাত হিংসাত্মক ৰূপ ধাৰণ কৰাৰ ফলতে ২১ জন লোকে মৃত্যুক সাবটি ল'ব লগীয়া হয়।

জানিব পৰামতে সমগ্ৰ অঞ্চলটোতে ইন্টাৰনেট সেৱা সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হৈছে।

উল্লেখযোগ্য যে সীমান্ত থকা শাসকীয় অভিজাত শ্ৰেণীয়ে ভোগ কৰি অহা বিশেষাধিকাৰৰ অন্ত পেলোৱা, শৰণাৰ্থীৰ বাবে সংৰক্ষিত ১২খন বিধানসভাৰ আসন বিলুপ্ত কৰা, কোটা ব্যৱস্থা আঁতৰোৱা, সমগ্ৰ ভূখণ্ডতে বিনামূলীয়া আৰু সমপৰ্যায়ৰ শিক্ষা প্ৰদান কৰা, বিনামূলীয়া স্বাস্থ্যসেৱাৰ সুবিধা দিয়া, অঞ্চলটোৰ ন্যায়িক কামকাজৰ সংস্কাৰ আৰু আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ উন্নয়নকে ধৰি কেইবাটাও দাবী সংগঠনটোৱে উত্থাপন কৰি আহিছিল।

০০০০০

কেন্দ্ৰীয়  মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি কয় যে বৈদ্যুতিন সামগ্ৰী উৎপাদন আঁচনিখনে ঘৰুৱা বিনিয়োগকাৰীৰ লগতে  আন্তঃৰাষ্ট্ৰীয় বিনিয়োগকাৰীৰ পৰাও অভূতপূৰ্ব সঁহাৰি লাভ কৰিছে। নতুন দিল্লীত এখন সংবাদ মেল সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে এতিয়ালৈ এক লাখ ১৫ হাজাৰ ৩৫১ কোটি টকাৰ বিনিয়োগৰ আৱেদন লাভ কৰিছে। তেওঁ জনোৱামতে চৰকাৰে কেৱল  ৫৯ হাজাৰ ৩৫০ কোটি টকা বিনিয়োগৰ লক্ষ্যহে গ্ৰহণ কৰিছিল। এই বিনিয়োগৰ ফলত চৰকাৰে  ১০ লাখ কোটি টকাৰো অধিক উৎপাদনৰ আশা কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিৰ জৰিয়তে ১ লাখ ৪১ হাজাৰ যুৱক যুৱতীক প্ৰত্যক্ষভাৱে নিযুক্তি দিব পৰা যাব।

০০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত অনুষ্ঠিত টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত  ভাৰতে আজি দুই উইকেটৰ বিনিময়ত  ১২১ ৰাণ সংগ্ৰহ কৰে। দিনান্তত কে এল ৰাহুলে ৫৩ আৰু শুভমন গিলে ১৮ ৰাণ  কৰি খেলি আছে। খেলখনত এতিয়া ৮টা উইকেট হাতত থকা অৱস্থাত ভাৰত প্ৰথম ইনিংছত মাত্ৰ  ৪১ ৰানতহে পিচ পৰি আছে। উল্লেখযোগ্য যে প্ৰথমে বেট ধৰি আলহি দলটোৱে আজি ৪৪ অভাৰ এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬২ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয় । ভাৰতৰ হৈ মহমদ ছিৰাজে ৪টা আৰু যশপিট বুমৰাহে ৩টা উইকেট দখল কৰে।

০০০০০

সমাপ্ত